# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

পাঁচদিনীয়া ভ্ৰমণসূচীৰে বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চলত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সমীক্ষা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকখনত মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, এটি কলি দুটি পাত ইত্যাদি আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰে। জিলাখনৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাৰ উপৰি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, বিধায়ক গোবিন্দ বসুমতাৰী আৰু চৰণ বড়োকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই বৈঠকত আঁচনিসমূহৰ সুফল বি টি আৰৰ সৰ্বস্তৰৰ যোগ্য হিতাধিকাৰীসকলে লাভ কৰাটো সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসনৰ বিষয়াসকলক আহ্বান জনায়।

বৈঠকৰ পূৰ্বে এখন সংবাদমেলত ড° শৰ্মাই অৰুণোদয় আঁচনিত জিলাখনৰ দুহেজাৰ পৰিয়ালক নতুনকৈ সামৰি লোৱা হ'ব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্ম-সহায়ক গোটৰ ১ লাখ ৭ হাজাৰ গৰাকী মহিলা আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত প্ৰায় দুহেজাৰ গৰাকী যুৱক-যুৱতীক পাঁচ হাজাৰকৈ টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। একেদৰে এটি কলি দুটি পাত আঁচনিৰ অধীনতো চাহ শ্ৰমিকসকলক পাঁচ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। পাঁচ হাজাৰটা পৰিয়ালক নতুনকৈ ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ওদালগুৰিত জানিবলৈ দিয়ে। ছেপ্তেম্বৰত বি টি চি পৰিষদীয় চৰকাৰৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ দুৰ্গাপূজাৰ পূৰ্বে ফলাফল ঘোষণা কৰা হ'ব বুলি তেওঁ সংবাদমেলত সদৰি কৰে। ভূটানৰ পৰা ওদালগুৰি, তামুলপুৰ আৰু বাক্সা জিলালৈ পাইপলাইনযোগে খোৱাপানীৰ ব্যৱস্থা কৰা হ'ব বুলিও ড° শৰ্মাই অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কাইলৈ তামুলপুৰ, ৫ জুলাইত বাক্সা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব। বাক্সা জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

০০০০০

মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বৰালীমাৰীত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত ৬০টাৰো অধিক বাসগৃহ জাহ গৈছে। আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনোৱা মতে ব্ৰহ্মপুত্ৰৰ খহনীয়া আজি এসপ্তাহ ধৰি অব্যাহত থকাত প্ৰতিদিনে অঞ্চলটোৰ ৰাইজে মাটি ভেটি হেৰুৱাবলগীয়া হৈছে। অঞ্চলটোত থকা এটা ৩০ বছৰ পুৰণি মছজিদো জাহ গৈছে। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু লাহৰীঘাটৰ বিধায়ক আশ্বিফ নাজাৰে ইতিমধ্যে অঞ্চলটো পৰিদৰ্শন কৰি খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছিল যদিও ই

এতিয়াও কাৰ্যকৰী হোৱা নাই। জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাও আধৰুৱা হৈ থকা বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooooo

উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় ভাষাসমূহক ডিজিটেল মাধ্যমত উপলব্ধ কৰাৰ ক্ষেত্ৰত অগ্ৰণী পদক্ষেপ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ PART OF SPEECH TAGGING FOR NORTH-EAST INDIAN LANGUAGES শীৰ্ষক এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কৰ্মশালা উদ্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা ক্ষুদ্ৰ ভাষিক গোটসমূহৰ ভাষাৰ সুৰক্ষা তথা প্ৰসাৰৰ ক্ষেত্ৰত ডিজিটেল প্ৰয়োগৰ গুৰুত্ব আলোকপাত কৰে। ভাষা কেৱল যোগাযোগৰ মাধ্যমেই নহয় বৰং ই হৈছে ভাষিক গোট একোটাৰ সাংস্কৃতিক ঐতিহ্যৰ অন্যতম বাহক বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে ভাষা ভিত্তিক গৱেষণাৰ ক্ষেত্ৰত এই কৰ্মশালাই ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ কৰে।

ooooo

কামৰূপ জিলাৰ অন্তৰ্গত বকোৰ হাহিম অঞ্চলত অসম আৰু মেঘালয়ৰ জৰীপ দল, প্ৰশাসনিক বিষয়া আৰু কৰ্মচাৰীসকলে দুয়োখন ৰাজ্যৰ সীমাৰ স্তম্ভ স্থাপনৰ কাম আৰম্ভ কৰিছে। হাহিমৰ ৰংথালি গাঁৱৰ পৰা গিজাং নৈৰ পাৰে পাৰে স্তম্ভ স্থাপনৰ কাম আৰম্ভ হৈছে। ৰাজ্য দুখনৰ মাজত দীৰ্ঘদিন ধৰি থকা সীমা বিবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ নেতৃত্বত বিবদমান এলেকাসমূহ চিহ্নিত কৰা হৈছিল। দুয়োখন ৰাজ্যৰ মন্ত্ৰী-বিষয়াৰ নেতৃত্বত বহু আলোচনাৰ মাজেৰে ১২টা এলেকা চিহ্নিত কৰা হৈছিল। ইয়াৰে প্ৰথম পৰ্যায়ত ২০২২ চনৰ ২৯ মাৰ্চ পৰ্যন্ত হাহিম, গিজাং, তাৰাবাৰী, বক্‌লাপাৰা, খানাপাৰা-পিলিংকাটা আৰু বাটাছেৰা এলেকাৰ সীমা বিবাদ নিষ্পত্তি কৰা হয়। পৰৱৰ্তী সময়ত যোৱা ২ জুনত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে আলোচনাত মিলিত হৈ ১৫ আগষ্টৰ পূৰ্বে এই সীমা বিবাদ নিষ্পত্তি হোৱা এলেকাসমূহত সীমা স্তম্ভ স্থাপনৰ সিদ্ধান্ত লয়।

ooooo

বৰপেটাৰ বহৰি সত্ৰৰ বনগঞাগিৰি আশ্ৰমত কাইলৈৰ পৰা ৯ দিনীয়াকৈ অখণ্ড ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। ঊষা কীৰ্তন আৰু ধৰ্মধ্বজা উত্তোলনেৰে আৰম্ভ হ'বলগীয়া ভাগৱত পাঠৰ কাৰ্যসূচীত বান্দালি সত্ৰৰ সত্ৰাধিকাৰ দ্বীজেন্দ্ৰ নাথ গোস্বামীয়ে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত ধৰ্মালোচনা সভাৰ লগতে ভাগৱতৰ ব্যাখ্যাৰ ব্যৱস্থাও কৰা হৈছে।

ooooo

সমাপ্ত